স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

০ □ সোমবাৰ □ ১৯ কাতি ১৯৪৫ শক □ ৬ নৱেম্বৰ ২০২৩ চন □ VOL-13 □ NO-240 □ MONDAY 6 NOVEMBER 2023 (ডিব্ৰুগড় সংস্কৰণ/DIBRUGARH EDITION) PAGE-1

## সুপ্ৰভাত

আজিৰ দিনটোতে—

- যুদ্ধ-সশস্ত্ৰ সংঘাতৰ পৰিৱেশৰ শোষণ প্ৰতিৰোধ দিৱস।
- ১৯৩৭ত ৰাজনীতিবিদ যশৱন্ত সিন্‌হাৰ জন্ম।
- ১৮৬০ত আব্ৰাহাম লিংকন আমেৰিকাৰ ৰাষ্ট্ৰপতি।
- ১৯৪৩ত স্পেইনৰ পৰা মেক্সিকোৰ স্বাধীনতা লাভ।
- ১৯৪৩ত আন্দামান-নিকোবৰৰ অধিকাৰ আজাদ হিন্দ ফৌজলৈ।
- ১৯৬২ত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ পৰা দক্ষিণ আফ্ৰিকাক বহিষ্কাৰ।

### 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা' শীৰ্ষক বিষয়ত বক্তৃতা

# কানৈ মহাবিদ্যালয়ত মন্ত্ৰী ড° ৰাজকুমাৰ ৰঞ্জন সিং

বিশেষ বাৰ্তা, ডিব্ৰুগড়, ৫ নৱেম্বৰ ঃ ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয়, এন এল বিচিটি মহাবিদ্যালয়, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডল আৰু বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থানৰ উদ্যোগত কানৈ মহাবিদ্যালয়ৰ লালচান্দ কানৈ প্ৰেক্ষাগৃহত ১ নৱেম্বৰত এক বক্তৃতানুষ্ঠান অনুষ্ঠিত হয়। 'ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ আৰু উচ্চ শিক্ষানুষ্ঠানসমূহৰ ভূমিকা' শীৰ্ষক বিষয়ত অনুষ্ঠিত বক্তৃতানুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকি বক্তৃতা প্ৰদান কৰে কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড° ৰাজকুমাৰ ৰঞ্জন সিঙে। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়— অতীজৰে পৰা শিক্ষাৰ ক্ষেত্ৰত ভাৰতবৰ্ষ এখন আগৰণুৱা দেশ। মন্ত্ৰীগৰাকীয়ে তক্ষশীলা, নালন্দা আদি বিশ্ববিদ্যালয়ৰ প্ৰসংগ উল্লেখ কৰি কয় যে অতীজতে এই বিশ্ববিদ্যালয়সমূহে সমগ্ৰ বিশ্বতে



শিক্ষাৰ পোহৰ বিলাবলৈ সক্ষম হৈছিল। তেওঁ ভাৰতবৰ্ষৰ পৌৰণিক শিক্ষা ব্যৱস্থাৰ পৰা আধুনিক শিক্ষা ব্যৱস্থালৈকে সকলো সামৰি ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ প্ৰস্তুত কৰা হৈছে বুলি মন্তব্য কৰি কয়— ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ত ডিজিটেল ইউনিভাৰ্ছিটী আৰু একাডেমিক বেংক অৱ কেডিট ব্যৱস্থাটো অনুৰ্ভুক্ত কৰা হৈছে। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন, এনচিচি, বিহু নৃত্য আৰু মিচিং বিহু নৃত্যৰে আদৰণি জনাই অনা অনুষ্ঠানটিত মন্ত্ৰীগৰাকীয়ে কয়— উত্তৰ-পূৰ্বাঞ্চলৰ ক্ৰীড়াৰ ক্ষেত্ৰত আগবঢ়া ৰাজ্যসমূহৰ ছাত্ৰ-ছাত্ৰীসকলে ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ত উপলব্ধ একাডেমিক বেংক অৱ কেডিটৰ জৰিয়তে উপকৃত হ'ব পাৰিব। সম্বৰ্ধনা পত্ৰ, চেলেং চাদৰ, ফুলাম গামোচা, শৰাই আৰু কিতাপৰ টোপোলাৰে সম্বৰ্ধনা জ্ঞাপন কৰা বক্তৃতানুষ্ঠানটিত তেওঁ কয়— ৰাষ্ট্ৰীয় শিক্ষানীতি-২০২০ৰ মূল উদ্দেশ্য হৈছে ভাৰতবৰ্ষক বিশ্বগুৰু হিচাপে প্ৰতিষ্ঠা কৰা। শেষত তেওঁ ডিব্ৰুগড় জিলাৰ বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা অধ্যাপক-অধ্যাপিকাসকলৰ লগত মত বিনিময় অনুষ্ঠানত অংশগ্ৰহণ কৰে। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপিকা ড° তৃষ্ণা দুৱৰা কলিতাই আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। অধ্যাপিকা ড° চয়নিকা গোস্বামীৰ মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানত বিদ্যাভাৰতী উচ্চ শিক্ষা সংস্থানৰ ৰাজ্যিক সভাপতি ড° দেৱহৰি তালুকদাৰে তেওঁৰ চমু বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত বিশেষভাৱে উপস্থিত থাকে মন্ত্ৰীগৰাকীৰ সহধৰ্মিণী দেৱালা দেৱী চুংখাম, গোৱাৰ মুখ্যমন্ত্ৰীৰ অতিৰিক্ত ব্যক্তিগত সচিব আশুতোষ মিশ্ৰ আৰু কেন্দ্ৰীয় বহিঃপৰিক্ৰমা আৰু শিক্ষা বিভাগৰ ৰাজ্যিক মন্ত্ৰী ড° ৰাজকুমাৰ ৰঞ্জন সিঙৰ অতিৰিক্ত ব্যক্তিগত সচিব চেৰাম তম্বী মেইটেই। অনুষ্ঠানত গোৱাৰ মুখ্যমন্ত্ৰীৰ অতিৰিক্ত ব্যক্তিগত সচিব আশুতোষ মিশ্ৰক সম্বৰ্ধনা পত্ৰ, চেলেং চাদৰ, ফুলাম গামোচা আৰু শৰাইৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানটিত ডি এইচ এছ কানৈ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি অভিমন্যু বৰুৱা, ডিব্ৰুগড় বিধানসভা সমষ্টিৰ বিধায়ক প্ৰশান্ত ফুকন, এনএলবিচিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁই, অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় মণ্ডলৰ সভাপতি নিৰঞ্জন বৰাকে ধৰি ভালেসংখ্যক গণ্য-মান্য ব্যক্তি, ডিব্ৰুগড় জিলাৰ মহাবিদ্যালয়সমূহৰ বহুসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। বিমান বন্দৰত কানৈ মহাবিদ্যালয়ৰ পৰিয়ালৰ হৈ অধ্যক্ষ ড° শশীকান্ত শইকীয়া আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° অনুপজ্যোতি ভৰালীয়ে মন্ত্ৰীগৰাকীক আদৰণি জনায়। মন্ত্ৰীগৰাকীক কানৈ মহাবিদ্যালয়ৰ গৱেষণা আৰু উন্নয়ন কোষ আৰু ছাত্ৰ একতা সভাৰ তৰফৰ পৰা স্মাৰক-পত্ৰ প্ৰদান কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে এনএলবিচিটি মহাবিদ্যালয়ৰ অধ্যক্ষ ড° সঞ্জীৱানন্দ বৰগোহাঁয়ে।